2016–17

# ASSAMESE

## FIRST PAPER

*Full Marks* : 200

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

### ক—শাখা

( কবিতা )

যি কোনো আঠটা প্ৰশ্নৰ উত্তৰ দিয়া, প্ৰতিটো ২৫০ শব্দৰ ভিতৰত

১। মাধৱ কন্দলিৰ চমু পৰিচয় দাঙি ধৰা। তেওঁৰ 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিৰ মাজেৰে চিত্ৰকূট বনৰ নৈসৰ্গিক শোভা কিদৰে প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা। ১০+১০=২০

২। 'নন্দোৎসৱ' কবিতাটিৰ আধাৰগ্ৰন্থ কোনখন? কবিতাটিৰ মাজেৰে অসমীয়া সমাজ-জীৱনৰ ছবি কেনেদৰে প্ৰকাশ পাইছে, তোমাৰ ভাষাত আলোচনা কৰা। ২+১৮=২০

৩। মাধৱদেৱৰ বৰগীতৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি 'তেজৰে কমলাপতি' কবিতাটিৰ মাজেৰে বাৎসল্য ভাৱৰ প্ৰকাশ কেনেদৰে ঘটিছে, আলোচনা কৰা। ৮+১২=২০

৪। দুৰ্গাবৰ কোন শতিকাৰ কবি? কোনে, কি কাৰণত মায়া অযোধ্যাৰ সৃষ্টি কৰিছিল? 'মায়া অযোধ্যাৰ সৃষ্টি আৰু চিত্ৰাৱলী চতুৰ্দ্দশীৰ মোট খেলা' কবিতাটিৰ আধাৰত আলোচনা কৰা আৰু কবিগৰাকীৰ কাব্য-প্ৰতিভাৰ মূল্যায়ন কৰা। ২+১০+৮=২০

৫। ৰাম সৰস্বতীৰ সাহিত্য প্ৰতিভা সম্বন্ধে আলোচনা কৰা। পাণ্ডৱসকল বনবাসলৈ যোৱাৰ পিছত ধৃতৰাষ্ট্ৰৰ মনত কেনেধৰণৰ প্ৰতিক্ৰিয়া হৈছিল? বিদূৰে তেওঁক কেনেধৰণৰ পৰামৰ্শ আগবঢ়াইছিল, বিৱৰি লিখা। ৮+৪+৮=২০

৬। পাঁচালি সাহিত্য বুলিলে কি বুজা? সুকবি নাৰায়ণদেৱৰ সাহিত্যৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰা। কবিয়ে বেউলাৰ সাজোন-কাচোনৰ যি বৰ্ণনা দাঙি ধৰিছে, 'বেহুলাৰ নৃত্য' কবিতাটিৰ আধাৰত আলোচনা কৰা। ৪+৬+১০=২০

৭। 'পূৰ্ণিমাৰ ৰাতিলৈ চাই' কবিতাটিৰ মাজেৰে কবি কমলাকান্ত ভট্টাচাৰ্য্যৰ স্বদেশানুৰাগ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ২০

৮। ৰোমাণ্টিক কবিতাৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা। চন্দ্ৰকুমাৰ আগৰৱালাৰ 'নিয়ৰ' কবিতাটিত ৰোমাণ্টিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰতিফলিত হৈছে, বিচাৰ কৰা। ৫+১৫=২০

৯। 'গঢ়া কবি, মোক ঝাড়ুদাৰ' কবিতাটিৰ মাজেৰে অম্বিকাগিৰি ৰায়চৌধুৰীৰ বৈপ্লৱিক চিন্তাধাৰা কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। ২০

১০। নৰকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ অন্তৰ্নিহিত তাৎপৰ্য বিচাৰ কৰা। ২০

১১। হেম বৰুৱাৰ 'মমতাৰ চিঠি' কবিতাটিৰ উৎস কি? কবিয়ে কবিতাটিত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ কিমান সাৰ্থকভাৱে কৰিছে, বিচাৰ কৰা। ৫+১৫=২০

১২। "মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ, মোৰ দেশ"— কথাষাৰৰ বক্তা কোন? বক্তাগৰাকীৰ চমু পৰিচয় দাঙি ধৰি 'মোৰ দেশ' কবিতাটিৰ আধাৰত স্বদেশৰ প্ৰতি কবিৰ কেনেকুৱা ধাৰণা প্ৰকাশ পাইছে, আলোচনা কৰা। ১+৫+১৪=২০

## খ—শাখা

### ( নাটক )

যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ দিয়া, প্ৰতিটো ১৫০ শব্দৰ ভিতৰত

১৩। নাটক বুলিলে কি বুজা? নাটকৰ উপাদানসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা। ৩+৫=৮

১৪। পৌৰাণিক নাটক কাক বোলে? পৌৰাণিক নাটকৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা। ২+৬=৮

১৫। ট্ৰেজেদি কাক বোলে? ট্ৰেজেদিৰ লক্ষণসমূহ উল্লেখ কৰি এটি আলোচনা আগবঢ়োৱা। ৩+৫=৮

১৬। বেজবৰুৱাৰ 'লিটিকাই' কোন শ্ৰেণীৰ নাটক? এই নাটকৰ প্ৰধান চৰিত্ৰটো বিশ্লেষণ কৰা। ১+৭=৮

১৭। পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া' নাটকৰ মাজেৰে তদানীন্তন অসমীয়া সমাজৰ আৰ্থ-সামাজিক দিশটো কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা। ৮

১৮। 'লভিতা' নাটকৰ সংলাপ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা। ৮

১৯। এব্ছাৰ্ডধৰ্মী নাটক হিচাপে অৰুণ শৰ্মাৰ 'আহাৰ' নাটকৰ এটি পৰ্যালোচনা আগবঢ়োৱা। ৮

২০। চমু টোকা লিখা (যি কোনো দুটা) : ৪×২=৮

(ক) ঐতিহাসিক নাটক

(খ) ব্যঙ্গ নাটক

(গ) মেলোড্ৰামা

(ঘ) কেথাৰচিচ

★★★